Total No. of Printed Pages—4

**5 SEM TDC ASM M 1**

**2014**

( November )

ASSAMESE

( Major )

Course : 501

**( সাহিত্যতত্ত্ব আৰু সমালোচনা )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) "ৰচনাৰীতিৰ ফালৰ পৰা চুটিগল্প অতি কঠিন সাহিত্যৰূপ।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰি চুটিগল্পৰ উপাদানসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱাঁ। ১৩

*অথবা*

(খ) প্ৰাচ্য আৰু পাশ্চাত্যৰ সমালোচকসকলে আগবঢ়োৱা নাটকৰ দুটা সংজ্ঞা দাঙি ধৰি নাটকৰ প্ৰকাৰ হিচাপে ট্ৰেজেডিৰ চমু আভাস দিবলৈ যত্ন কৰাঁ। ৬+৭=১৩

২। (ক) তোমাৰ পাঠ্যক্ৰমে সামৰিলোৱা সাহিত্য সমালোচনাৰ পদ্ধতিসমূহৰ নাম উল্লেখ কৰি ঐতিহাসিক সমালোচনা-পদ্ধতি আৰু বিশ্লেষণাত্মক সমালোচনাপদ্ধতিৰ সাধাৰণ পৰিচয় আগবঢ়োৱাঁ। ৩+৫+৫=১৩

*অথবা*

(খ) সাহিত্য-সমালোচনাৰ স্বৰূপ নিৰ্ণয় কৰি তুলনামূলক সমালোচনাপদ্ধতিৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ৬+৭=১৩

৩। (ক) স্থায়ীভাবৰ ৰূপান্তৰ ঘটি ৰস-নিষ্পত্তি কেনেদৰে হয়, বুজাই লিখাঁ। ১২

*অথবা*

(খ) তিনি প্ৰকাৰৰ শব্দশক্তি কি কি? প্ৰত্যেকৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ। ৩+৯=১২

৪। তলত দিয়া অলংকাৰসমূহৰ প্ৰত্যেকৰে সংজ্ঞা আৰু এটিকৈ উদাহৰণ আগবঢ়োৱাঁ (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) উপমা

(খ) অনুপ্ৰাস

(গ) সন্দেহ

(ঘ) ব্যতিৰেক

(ঙ) ৰূপক

৫। তলৰ যি কোনো দুটাৰ বিষয়ে চমুকৈ লিখাঁ : ৫×২=১০

(ক) স্পন্দিত গদ্য

(খ) স্বৰবৃত্ত ছন্দৰীতি

(গ) অমিত্ৰাক্ষৰ ছন্দ

৬। চমু উত্তৰ লিখাঁ :

(ক) "মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা।"

এই কাব্যাংশত কি অলংকাৰ প্ৰয়োগ হৈছে? ১

(খ) "হেন শুনি জাম্বৱন্ত।
ধাইলা মহা বলৱন্ত॥
নিচিনি স্বামীক পাছে।
ধৰিলন্ত যুদ্ধ কাছে॥"

ইয়াত কোনবিধ ছন্দৰ প্ৰয়োগ হৈছে? ১

(গ) "Poetry is criticism of life." এই সংজ্ঞাটো কোনে আগবঢ়াইছিল? ১

(ঘ) *Aspects of the Novel* গ্ৰন্থৰ লেখক কোন? ১

(ঙ) 'নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য' গ্ৰন্থখনৰ লেখক কোন? ১

(চ) 'ৰসাস্বাদন' (Appreciation) সমালোচকৰ উদ্দেশ্য হয়নে? ১

(ছ) 'অভিধা'ৰ আন এটা নাম কি? ১

(জ) স্থায়ীভাব কেই প্ৰকাৰৰ? করুণ ৰসৰ উদ্ৰেক হ'বলৈ কোনটো স্থায়ীভাবে ক্ৰিয়া কৰে? ১+১=২

(ঝ) উপন্যাসৰ চাৰিটা উপাদান উল্লেখ কৰাঁ। ৪

(ঞ) অসমীয়া কাব্যত ব্যৱহৃত ছন্দৰীতিকেইটাৰ নাম উল্লেখ কৰাঁ। ৪

★★★